অসম

মোবাইল সেৱাৰ মাচুল বৃদ্ধিৰ পোষকতা এয়াৰটেলৰ অধ্যক্ষ সুনীল মিত্তলৰ

এয়াৰটেলৰ প্ৰতিষ্ঠাপক তথা অধ্যক্ষ সুনীল ভাৰতী মিত্তলে টেলিকম আন্তঃগাঁথনিৰ ব্যয় বহনৰ বাবে প্ৰতিগৰাকী গ্ৰাহকৰ পৰা মাহে গড়ে ৩৫০ টকা উপাৰ্জন হোৱাটো প্ৰয়োজনীয় বুলি মন্তব্য কৰে।

প্ৰকাশ: ১৩ নৱেম্বৰ ২০২৬, আবেলি ৫:২৭



Sunil Bharti Mittal (NewzNow)

নতুন দিল্লী, ১৩ নৱেম্বৰ: ভাৰতত মোবাইল সেৱাৰ মাচুল বৃদ্ধি কৰাৰ পোষকতা কৰিছে ভাৰতী এয়াৰটেলৰ প্ৰতিষ্ঠাপক তথা অধ্যক্ষ সুনীল ভাৰতী মিত্তলে। তেওঁৰ মতে, দেশত এজন গ্ৰাহকৰ পৰা টেলিকম কোম্পানীসমূহে মাহে গড়ে প্ৰায় ৩৫০ টকা উপাৰ্জন কৰা উচিত। বৰ্তমানৰ মাচুলে নেটৱৰ্ক পৰিচালনা আৰু নতুন আন্তঃগাঁথনি নিৰ্মাণৰ ক্ৰমবৰ্ধমান ব্যয় বহন কৰিবলৈ পৰ্যাপ্ত নহয় বুলি তেওঁ যুক্তি দিছে।

বৃহস্পতিবাৰে ভাৰতী এণ্টাৰপ্ৰাইজেছৰ ৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে পিটিআইক দিয়া এক সাক্ষাৎকাৰত মিত্তলে কয় যে প্ৰায় দহ বছৰ পূৰ্বে তেওঁ মোবাইল সেৱাৰ বাবে মাহে ৩০০ টকাৰ গড় উপাৰ্জনক উপযুক্ত বুলি অভিহিত কৰিছিল। কিন্তু মূল্যবৃদ্ধিৰ ফলত সেই পৰিমাণ এতিয়া পৰ্যাপ্ত নহয়।

তেওঁৰ মতে, ইন্ধন, বিদ্যুৎ, কৰ্মচাৰীৰ দৰমহা আৰু প্ৰশাসনিক ব্যয় সকলো বৃদ্ধি পাইছে। সেয়েহে টেলিকম উদ্যোগৰ বাবে প্ৰতিগৰাকী গ্ৰাহকৰ পৰা মাহে ৩৫০ টকাৰ গড় উপাৰ্জন প্ৰয়োজনীয় হৈ পৰিছে। অৱশ্যে এই লক্ষ্য

© 2026 NewzNow

কেতিয়া বাস্তৱায়িত হ’ব, সেই সন্দর্ভত কোনো নির্দিষ্ট সময়সীমা তেওঁ প্রকাশ কৰা নাই।

মিত্তলে কয় যে মাহে ৩৫০ টকাৰ গড় ব্যয় হিচাপ কৰিলে প্রতিদিনে প্রায় ১০ৰ পৰা ১২ টকা হয়। তেওঁৰ মতে, এই পৰিমাণৰ বিনিময়ত গ্রাহকে বেংকিং, শিক্ষা, ইউপিআই লেনদেন, স্বাস্থ্যৰ তথ্য, চৰকাৰী সুবিধা লাভৰ লগতে সামাজিক মাধ্যম আৰু মনোৰঞ্জনৰ বিভিন্ন সেৱা ব্যৱহাৰ কৰিব পাৰে।

টেলিকম আন্তঃগাঁথনিৰ সম্প্রসাৰণত বৃহৎ বিনিয়োগৰ প্রয়োজন

ভাৰতৰ টেলিকম আন্তঃগাঁথনিৰ অভাৱৰ বিষয়টোও উত্থাপন কৰে এয়াৰটেলৰ অধ্যক্ষগৰাকীয়ে। তেওঁৰ মতে, চীনত ১০ লাখতকৈ অধিক মোবাইল টাৱাৰ থকাৰ বিপৰীতে ভাৰতত প্রায় ৩.৫ লাখ টাৱাৰহে আছে। দেশৰ বর্তমানৰ টাৱাৰৰ সংখ্যা অন্ততঃ দুগুণ কৰাৰ প্রয়োজন আছে বুলি তেওঁ মন্তব্য কৰে।

ইয়াৰ উপৰি ফাইবাৰ নেটৱর্ক, ছাবমেৰিন কেবল আৰু অন্যান্য ডিজিটেল আন্তঃগাঁথনিৰ সম্প্রসাৰণৰ বাবেও বৃহৎ বিনিয়োগৰ প্রয়োজন বুলি তেওঁ উল্লেখ কৰে।

৫জি সেৱাৰ ক্ষেত্রতো টেলিকম কোম্পানীসমূহে বিপুল পৰিমাণৰ ধন বিনিয়োগ কৰিছে। স্পেকট্রাম ক্রয় আৰু নেটৱর্ক নির্মাণত কেইবা লাখ কোটি টকা ব্যয় কৰাৰ পাছতো ৫জিৰ পৰা আশা কৰা ধৰণৰ নতুন উপার্জনৰ পথ এতিয়াও মুকলি হোৱা নাই বুলি মিত্তলে কয়।

তেওঁৰ মতে, দেশৰ ডিজিটেল অর্থনীতিৰ বিকাশৰ বাবে শক্তিশালী টেলিকম আন্তঃগাঁথনি অত্যন্ত প্রয়োজনীয়। ইউপিআই, বেংকিং, স্বাস্থ্যসেৱা, শিক্ষা আৰু ই-কমার্চৰ দৰে সেৱাসমূহ টেলিকম নেটৱর্কৰ ওপৰত নির্ভৰশীল। সেয়েহে এই খণ্ডত নিৰন্তৰ বিনিয়োগ অব্যাহত ৰাখিবলৈ কোম্পানীসমূহৰ বিত্তীয় অৱস্থা শক্তিশালী হোৱা উচিত।

এয়াৰটেলৰ গ্রাহকপ্রতি উপার্জন ২৭১ টকা

এয়াৰটেলৰ প্রকাশিত তথ্য অনুসৰি, ২০২৬ চনৰ ছেপ্টেম্বৰ ত্রৈমাসিকত প্রতিগৰাকী গ্রাহকৰ পৰা কোম্পানীটোৰ গড় মাহিলি উপার্জন (ARPU) ২৭১ টকালৈ বৃদ্ধি পাইছে। এবছৰ পূর্বে এই পৰিমাণ আছিল ২৫৬ টকা। মিত্তলে প্রস্তাৱ কৰা ৩৫০ টকাৰ গড় উপার্জনৰ লক্ষ্য বর্তমানৰ পৰিমাণতকৈ প্রায় ২৯ শতাংশ অধিক।

উল্লেখ্য যে, ভাৰতত অন্তিমবাৰৰ বাবে ২০২৪ চনৰ জুন মাহত টেলিকম সেৱাৰ মাচুল বৃদ্ধি কৰা হৈছিল। সেই সময়ত বিভিন্ন ৰিচার্জ আঁচনিৰ মূল্য ১০ৰ পৰা ২৫ শতাংশলৈ বৃদ্ধি পাইছিল।

মিত্তলে লগতে কয় যে ভাৰতত টেলিকম সেৱাৰ মাচুল এতিয়াও বিশ্বৰ বহু দেশৰ তুলনাত কম। অৱশ্যে তেওঁৰ এই মন্তব্যই ভৱিষ্যতে মোবাইল ৰিচার্জৰ মূল্য বৃদ্ধিৰ সম্ভাৱনাক লৈ গ্রাহকৰ মাজত নতুন চর্চাৰ সৃষ্টি কৰিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2766/suneel-mittl-mobail-macul-brriddhi-vat